# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 29-06-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
## HEADLINES
::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব।

২। প্ৰধানমন্ত্ৰীয়ে কালি আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত থকা ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লাৰ সৈতে মত বিনিময় কৰে।

৩। প্ৰস্তাৱনা যিকোনো সংবিধানৰ আত্মাস্বৰূপ আৰু ইয়াক সলনি কৰিব পৰা নযায় বুলি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে প্ৰকাশ কৰিছে।

৪। ইজৰাইলৰ সৈতে হোৱা ১২ দিনীয়া যুদ্ধত ইৰানে জয়লাভ সম্পৰ্কীয় দাবীক লৈ ড'নাল্ড ট্ৰাম্পে দেশখনৰ সৰ্বোচ্চ নেতা আয়তুল্লা আলী খামেনেইক তীব্ৰ সমালোচনা কৰিছে

*আৰু*

৫। ভাৰতৰ উদিয়মান খেলুৱৈ টনভি শৰ্মাই ইউ এছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কি বাত অনুষ্ঠানৰ ১২৩ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কত প্ৰচাৰিত হ'ব। এই অনুষ্ঠান আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ ৱেবছাইট আৰু News on AIR ম'বাইল এপযোগেও শুনিব পৰা যাব। আকাশবাণীৰ বাতৰি সেৱা বিভাগ, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান পোনপটীয়া প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটিৰ ঠিক পাছতে আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত থকা ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লাৰ সৈতে মত বিনিময় কৰে। তেওঁ বৰ্তমান দেশৰ পৰা বহু দূৰত আছে যদিও দেশবাসীৰ অন্তৰত আছে বুলি উল্লেখ কৰি মহাকাশচাৰীগৰাকী এই যাত্ৰাই নতুন যুগৰ শুভাৰম্ভ কৰিলে বুলি মন্তব্য কৰে। প্ৰদক্ষিণ কৰাটো ভাৰতৰ শতিকা পুৰণি পৰম্পৰা বুলি অভিহিত কৰি শ্ৰী মোদীয়ে কয়, যে শুক্লাই পৃথিৱীৰ প্ৰদক্ষিণ কৰা বিৰল সুযোগ লাভ কৰিছে। প্ৰধানমন্ত্ৰীয়ে গ্ৰুপ কেপ্টেইন শুক্লাক আন্তৰিক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰে। আনহাতে শ্ৰী শুক্লাই দেশক প্ৰতিনিধিত্ব কৰি গৌৰৱান্বিত বুলিও প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীক নিজৰ অভিজ্ঞতাৰ বিষয়ে বৰ্ণনা কৰি শ্ৰী শুক্লাই কয়, যে শৈশৱত তেওঁ কেতিয়াও মহাকাশচাৰী হোৱাৰ কথা কল্পনা কৰা নাছিল। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী মোদীৰ নেতৃত্বত

বৰ্তমান দেশৰ জনগণে নিজৰ সপোন পুৰণ কৰাৰ বাবে সুবিধা লাভ কৰিছে। আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত থকা শুভাংশু শুক্লা প্ৰথমগৰাকী ভাৰতীয় বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে তেওঁক পৃথিৱীত কৰা কঠোৰ অনুশীলনৰ সৈতে মহাকাশ কেন্দ্ৰৰ পৰিস্থিতিৰ বৈসাদৃশ্যৰ বিষয়ে সোধে। শূন্য মাধ্যাকৰ্ষণ শক্তিৰ বিষয়ে জনাৰ লগতে আগতীয়া অনুশীলন স্বত্বেও কক্ষপথৰ বাস্তৱিকতা সম্পূৰ্ণ পৃথক বুলি শ্ৰী শুক্লাই প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে পানী খোৱা বা শোৱাৰ দৰে সহজ কামবোৰো মহাকাশত অতি প্ৰত্যাহ্বানমূলক। নিজৰ প্ৰশিক্ষণকালত বহু কথা শিকা বুলি উল্লেখ কৰি তেওঁ কয়, যে এই যাত্ৰা সমগ্ৰ দেশৰ বাবে সমূহীয়া জয়। আকাশেই সীমা নহয় বুলি তেওঁ নৱ প্ৰজন্মক উদ্দেশ্যি উল্লেখ কৰে। মহাকাশ ক্ষেত্ৰত ভাৰত দ্ৰুত গতিত আগবাঢ়িছে বুলি উল্লেখ কৰি তেওঁ ভৱিষ্যতে মহাকাশত দেশৰ নিজা কেন্দ্ৰ থাকিব বুলি কয়। মহাকাশৰ পৰা প্ৰথমবাৰৰ বাবে নিজৰ দেশখনক দেখোতে মানচিত্ৰত দেখাতকৈও বহু ডাঙৰ দেখি বুলি তেওঁ উল্লেখ কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে মহাকাশ গৱেষণাই ভৱিষ্যতে কৃষি বা স্বাস্থ্য খণ্ডক উপকৃত কৰিব নেকি বুলি মহাকাশচাৰীজনৰ পৰা জানিব বিচাৰে। শ্ৰী শুক্লাই কয়, যে ভাৰতীয় বিজ্ঞানীয়ে প্ৰথমবাৰৰ বাবে সাতটা অনন্য সম্পৰীক্ষনৰ আৰ্হি প্ৰস্তুত কৰিছে আৰু এইসমূহ মহাকাশ কেন্দ্ৰলৈ লৈ যোৱা হৈছে।

০০০০০

প্ৰস্তাৱনা যিকোনো সংবিধানৰ আত্মাস্বৰূপ আৰু ইয়াক সলনি কৰিব পৰা নযায় বুলি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি এটা গ্ৰন্থ উন্মোচনী অনুষ্ঠানত ভাষণ দি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ভাৰতৰ বাহিৰে আন কোনো সংবিধানৰ প্ৰস্তাৱনা সলনি কৰা হোৱা নাই। তেওঁ কয়, যে প্ৰস্তাৱনাৰ আধাৰত সংবিধান বিকশাই তোলা হয় যদিও জৰুৰীকালীন অৱস্থাত জনসাধাৰণ প্ৰায় পৰাধীন হৈ থকা সময়ত ভয়াবহভাৱে প্ৰস্তাৱনাত সলনি কৰা হৈছিল। জৰুৰীকালীন অৱস্থাৰ সময়ছোৱাত প্ৰস্তাৱনাত সমাজবাদী, ধৰ্মনিৰপেক্ষ আৰু অখণ্ডতাৰ দৰে শব্দ অন্তৰ্ভুক্ত কৰাটো সংবিধান প্ৰণেতাসকলৰ বিচাৰ ধাৰাৰ সৈতে বিশ্বাসঘাট আছিল বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে এই কাৰ্য দেশৰ হাজাৰ হাজাৰ বছৰ পুৰণি সভ্যতাগত সম্পত্তি আৰু জ্ঞানক হেয় প্ৰতিপন্ন কৰাৰ বাহিৰে আন একো নহয়।

বৰ্তমান সময়তো সংবিধান প্ৰণেতা বি আৰ আম্বেদকাৰৰ বাৰ্তাৰ প্ৰাসংগিকতাৰ বিষয়ে আলোকপাত কৰি শ্ৰী ধনখড়ে কয়, যে আম্বেদকাৰ জনসাধাৰণৰ হৃদয়ত আছে আৰু সাম্প্ৰতিক সময়তো দেশবাসীৰ বাবে তেওঁৰ বাৰ্তাৰ প্ৰাসংগিকতা অক্ষুণ্ণ আছে।

০০০০০

ইজৰাইলৰ সৈতে হোৱা ১২ দিনীয়া যুদ্ধত ইৰানে জয়লাভ কৰা বুলি কৰা দাবীক লৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে দেশখনৰ সৰ্বোচ্চ নেতা আয়তুল্লা আলী খামেনেইক তীব্ৰ সমালোচনা কৰিছে আৰু তেহৰান মহলে পাৰমাণৱিক অস্ত্ৰ প্ৰস্তুত কৰাৰ চেষ্টা চলালে আমেৰিকাই পুনৰ দেশখনৰ বিৰুদ্ধে বোমা বৰ্ষণ কৰিব বুলি সকীয়াই দিছে। শ্ৰী ট্ৰাম্পে সামাজিক মাধ্যম যোগে যুদ্ধ জয়ৰ দাবী কৰি খামেনেইয়ে গোকাট মিছা মতা বুলি অভিযোগ কৰিছে। ব্যক্তিগতভাৱে খামেনেইৰ হত্যা ৰোধ কৰা বুলিও আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতিগৰাকীয়ে দাবি কৰে। তেওঁ কয়, যে যুদ্ধত ইৰান ধ্বংস হৈছে আৰু দেশখনৰ তিনিটা পাৰমাণৱিক স্থলীও নষ্ট হৈছে। খামেনেইয়ে কত আশ্ৰয় লৈ আছিল সেই বিষয়ে অৱগত আছিল বুলিও শ্ৰী ট্ৰাম্পে দাবী কৰে।

এই সপ্তাহৰ প্ৰথম ভাগত ইৰান আৰু ইজৰাইলৰ সংঘৰ্ষ সমাপ্ত হোৱাৰ পাছত প্ৰথমবাৰৰ বাবে দিয়া ৰাজহুৱা বক্তব্যত খামেনেইয়ে ইৰানে ফৰ্ডো, ইস্ফহান আৰু নাটাঞ্জৰ পাৰমাণৱিক কেন্দ্ৰসমূহত আমেৰিকাই চলোৱা আক্ৰমণৰ প্ৰতিশোধকল্পে কাটাৰত থকা আমেৰিকাৰ এটা গুৰুত্বপূৰ্ণ ঘাটিক লক্ষ্য কৰি মিছাইলেৰে আক্ৰমন চলাই সমিচিন প্ৰত্যুত্তৰ দিয়া বুলি দাবী কৰিছিল।

০০০০০

কলকাতা আইন মহাবিদ্যালয় দলবদ্ধ ধৰ্ষণ গোচৰৰ চতুৰ্থজন অভিযুক্তক গ্ৰেপ্তাৰ কৰা হৈছে। আইন মহাবিদ্যালয়খনৰ নিৰাপত্তাৰক্ষীগৰাকীক কালি এই গোচৰ সংক্ৰান্তত গ্ৰেপ্তাৰ কৰা হয়। ইয়াকে লৈ মহাবিদ্যালয়খনৰ নিৰাপত্তাৰক্ষীৰ কক্ষৰ ভিতৰত হোৱা এই অপৰাধৰ সংক্ৰান্তত গ্ৰেপ্তাৰ কৰা লোকৰ সংখ্যা চাৰিলৈ বৃদ্ধি পাইছে। দক্ষিণ কলকাতা আইন মহাবিদ্যালয়ৰ এগৰাকী ২৪ বছৰীয়া ছাত্ৰীক যোৱা ২৫ জুনত প্ৰতিষ্ঠানখনৰ নিৰাপত্তাৰক্ষীৰ কক্ষত এগৰাকী প্ৰাক্তন ছাত্ৰসহ তিনিগৰাকী শিক্ষাৰ্থীয়ে ধৰ্ষণ কৰা বুলি অভিযোগ উঠিছে। ছাত্ৰীগৰাকীৰ অভিযোগ মৰ্মে আৰক্ষীয়ে এই ঘটনাৰ মূল অভিযুক্ত মন'জিৎ মিশ্ৰ, প্ৰমিত মুখাৰ্জী আৰু জাইড আহমেদক গ্ৰেপ্তাৰ কৰিছে।

কলকাতা আৰক্ষীয়ে এই ঘটনাৰ তদন্ত কৰিবলৈ সহকাৰী আয়ুক্ত পৰ্যায়ৰ এগৰাকী বিষয়াৰ নেতৃত্বত এটি পাঁচজনীয়া বিশেষ তদন্ত দল গঠন কৰিছে। দলবদ্ধ ধৰ্ষণৰ প্ৰতিবাদত বিজেপিয়ে মহাবিদ্যালয়খনলৈ উলিওৱা সমদলত কালি আৰক্ষীয়ে বাধা প্ৰদান কৰাত আৰু দলৰ পশ্চিমবংগ গোটৰ মুৰববী সুকান্ত মজুমদাৰ আৰু কেইবাগৰাকীও নেতাক আটক কৰাৰ পাছত মহানগৰখনত উত্তেজনা বৃদ্ধি পাইছে। বিজেপিয়ে শিক্ষা প্ৰতিষ্ঠানৰ চৌহদৰ সুৰক্ষা সুনিশ্চিত কৰাত ৰাজ্য চৰকাৰ ব্যৰ্থ হোৱা বুলি অভিযোগ তুলিছে আৰু দোষী সকলৰ বিৰুদ্ধে ক্ষীপ্ৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী জনাইছে। ইপিনে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই বিষয়টো চালি-জাৰি চোৱাৰ বাবে এখন চাৰিজনীয়া কমিটি গঠন কৰিছে। কমিটিখনে কলকাতালৈ গৈ ঘটনা সন্দৰ্ভত প্ৰতিবেদন দাখিল কৰিব। বিজেপিৰ মুখপাত্ৰ সম্বিত পাত্ৰই কমিটিখনত সাংসদ বিপ্লব কুমাৰ দেৱ, মনন কুমাৰ মিশ্ৰ আৰু প্ৰাপ্তন সাংসদ সত্যপাল সিং আৰু মিনাক্ষী লেখিক অন্তৰ্ভুক্ত কৰা বুলি প্ৰকাশ কৰিছে।

০০০০০

ৰাজিৰস্তানত কালি সংঘটিত আক্ৰমণৰ বাবে ভাৰতক জগৰীয়া কৰিব বিচৰা পাকিস্তানী সেনা বাহিনীৰ আনুষ্ঠানিক বিবৃতিক নতুন দিল্লী মহলে অস্বীকাৰ কৰিছে। ভাৰতে এটা বিবৃতি যোগে সমিচিন অৱমাননাৰে এই বিবৃতি খণ্ডন কৰে।

পাকিস্তানৰ উত্তৰ-পশ্চিম প্ৰান্তত কালি সংঘটিত আত্মঘাটি আক্ৰমণত ১৬ গৰাকী সৈনিকে প্ৰাণ হেৰুৱায় আৰু ২৯ জন লোক আহত হয়। আহতসকলৰ ভিতৰত ১০ গৰাকী সৈনিক আৰু ১৯ গৰাকী অসামৰিক লোক আছে। এখন আত্মঘাটি বোমাৰুৱে বিস্ফোৰক সামগ্ৰী ভৰ্তি এখন বাহনেৰে সেনা বাহিনীৰ কনভয়ত খুন্দা মৰাৰ ফলত এই লোককেইজন হতাহত হয়। আৰক্ষীয়ে প্ৰকাশ কৰা মতে বিস্ফোৰণ ফলত দুটা ঘৰৰ মূধচ খহি পৰে আৰু ছটি শিশু আহত হয়। স্থানীয় সংবাদ মাধ্যমৰ বাকৰি অনুসৰি পাকিস্তানী তালিবানৰ পৃষ্ঠ পোষকতা প্ৰাপ্ত হাফিজ গুল বাহাদুৰ সশস্ত্ৰ গোটৰ আত্মঘাটি বোমাৰু শাখাই এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে।

০০০০০

ভাৰতৰ উদিয়মান খেলুৱৈ টনভি শৰ্মাই আমেৰিকা যুক্তৰাষ্ট্ৰত অনুষ্ঠিত ইউ এছ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাৰ মহিলাৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। পাঞ্জাবৰ হোচিয়াৰপুৰৰ ১৬ বছৰীয়া খেলুৱৈ গৰাকীয়ে যোৱা নিশা ইউক্ৰেইনৰ পোলিনা বৰহোৱাক ২১-১৪, ২১-১৬ গেমত পৰাস্ত কৰি ফাইনেলত স্থান নিশ্চিত কৰে। টনভি আজি ফাইনেলত চীনৰ বিৰেন ঝাঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৮ বজাত আৰম্ভ হ'ব।

ooooo

ভাৰতীয় মহিলা ক্ৰিকেট দলে যোৱা নিশা ন'টিংহামৰ ট্ৰেণ্ট ব্ৰিজত অনুষ্ঠিত পাঁচখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন খেলত ঘৰুৱা দল ইংলেণ্ডক ৯৭ ৰানত পৰাস্ত কৰে। ভাৰতে খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ২১০ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ স্মৃতি মান্ধানাই ৬২ টা বলত ১১২ ৰান কৰে। আন্তঃৰাষ্ট্ৰীয় টি-২০ ক্ৰিকেটত এয়া মান্ধানাৰ প্ৰথমটো শতক। হৰলিন দেঅ'লে ৪৩ ৰানৰ বৰঙণি আগবঢ়ায়। প্ৰত্যুত্তৰত ইংলেণ্ডে ১৪ অভাৰ আৰু ৫ টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৩ ৰানহে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। ইংলেণ্ডৰ হৈ নেট ছাইবাৰ ব্ৰণ্টে ৪২ টা বলত ৬৬ ৰান কৰে। ভাৰত শ্ৰী চৰনীয়ে ৪ টা উইকেট দখল কৰে। স্মৃতি মান্ধানাক প্লেয়াৰ অব দ্যা মেচ হিচাপে ঘোষণা কৰা হয়।

ooooo

***সমাপ্ত***